**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বৰ্তমান চৰকাৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ পথত দেখা দিয়া সকলো বাধা দূৰ কৰিব বুলি প্ৰধানমন্ত্ৰীৰ আশ্বাস।

২। আইন অনুসৰি বৃদ্ধাশ্ৰম স্থাপন কৰাত ব্যৰ্থ হোৱা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশক স্পষ্টিকৰণ দিয়াৰ নিৰ্দেশ।

৩। সাদিনীয়া ৰঙালী বিহুৰ আজি ষষ্ঠ দিনটো ৰাজ্যত চেনেহী বিহু বা জীয়ৰী বিহু হিচাপে পালন।

৪। চিৰাং জিলাৰ ৰুণীখাটাত শুকুৰবাৰে সংঘটিত হিংসাত্মক ঘটনাৰ পাছত অঞ্চলটোৰ পৰিস্থিতি ক্ৰমাৎ উন্নত।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ১০ ৰানত জয়লাভ।

oooooo

বৰ্তমান চৰকাৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ পথত দেখা দিয়া সকলো বাধা দূৰ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিগৰাকী মহিলাক আশ্বাস দিছে। প্ৰধানমন্ত্ৰীয়ে যোৱা নিশা ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত কয়, যে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিৰোধিতা কৰা দলসমূহে সংসদ আৰু বিধানসভাত মহিলাৰসকলৰ বৰ্ধিত অংশগ্ৰহণ প্ৰতিহত কৰিব নোৱাৰে। তেওঁ কয়, যে বিজেপি আৰু এন ডি এ চৰকাৰ মহিলা সৱলীকৰণৰ সংকল্পত অটল হৈ আছে। নাৰী শক্তি বন্দন অধিনিয়মৰ সৈতে জড়িত বিধেয়ক কেইখন সদনত গৃহীত হোৱাৰ বাবে প্ৰয়োজনীয় ৬৬ শতাংশ ভোট লাভ কৰাত চৰকাৰ ব্যৰ্থ হৈছে যদিও তেওঁলোকৰ সৈতে দেশৰ ১০০ শতাংশ মহিলাৰ আশীৰ্বাদ আছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

ঐকান্তিক প্ৰয়াস সত্বেও বিধেয়ককেইখন গৃহীত কৰাত ব্যৰ্থ হোৱাৰ বাবে সকলো মাতৃ-ভগ্নীৰ ওচৰত ক্ষমা বিচাৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে একাংশ ব্যক্তিয়ে দলকেই সকলো বুলি গণ্য কৰিলে মহিলাৰ সৱলীকৰণ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত ব্যাঘাত জন্মে। তেওঁ কয়, যে মহিলাৰ স্বাৰ্থৰ সৈতে জড়িত এই বিধেয়ক কেইখন সদনত গৃহীত নোহোৱাত কংগ্ৰেছ, ডি এম কে, এছ পি আৰু টি এম চিৰ সাংসদসকলে যিদৰে হাত চাপৰি বজাইছিল আৰু মহিলাসকলক অধিকাৰৰ পৰা বঞ্চিত কৰি মেজত চপৰিয়াই আনন্দ প্ৰকাশ কৰিছিল সেয়া সঁচাকৈ বেদনাদায়ক। প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ এই আচৰণক মহিলাৰ মৰ্যাদা আৰু আত্মসন্মানৰ ওপৰত আঘাত বুলি অভিহিত কৰে।

নাৰী শক্তি বন্দন অধিনিয়ম সময়ৰ আহ্বান বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এয়া উত্তৰ, দক্ষিণ, পূব, পশ্চিমসহ দেশৰ সকলো অঞ্চলত মহিলাসকলৰ সন্তুলিত সৱলীকৰণ সুনিশ্চিত কৰাৰ প্ৰয়াস আছিল। তেওঁ কয়, যে সংসদত আনুপাতিক প্ৰতিনিধিত্ব বৃদ্ধি কৰি সৰু-বৰ প্ৰতিখন ৰাজ্যৰ কণ্ঠ সৱল কৰাৰ উদ্দেশ্যে বিধেয়ক কেইখন যুগুত কৰা হৈছিল যদিও কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহে এই ঐকান্তিক প্ৰচেষ্টা মখিমুৰ কৰিলে।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়, যে পৰহি সদনত নাৰী শক্তি বন্দন অধিনিয়মৰ বিৰোধিতা কৰা দলসমূহে প্ৰকৃততে মহিলাসকলৰ শক্তিক অৱজ্ঞা কৰিছে। তেওঁ কয়, যে বিৰোধী দলসমূহে মহিলাৰ বাবে আসন সংৰক্ষণৰ

বিৰোধিতা কৰি যি পাপ কৰিছে সেই পাপৰ পৰিনাম ভূগিব লাগিব। শ্ৰী মোদীয়ে কয়, যে কংগ্ৰেছে সমষ্টিৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াই কেইখন ৰাজ্যৰ ক্ষতি কৰিব বুলি অপপ্ৰচাৰ চলাইছিল যদিও চৰকাৰে প্ৰথমৰে পৰা কোনো ৰাজ্যৰ অংশীদাৰিত্ব কম নহয় আৰু ৰাজ্যসমূহৰ আসন আনুপাতিক ভাবে বাঢ়িব বুলি স্পষ্ট কৰি দিছিল।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০০৭ চনৰ অভিভাৱক আৰু জ্যেষ্ঠ নাগৰিকৰ কল্যাণ আইন অনুসৰি বৃদ্ধাশ্ৰম স্থাপন কৰাত ব্যৰ্থ হোৱা সন্দৰ্ভত অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ পৰা স্পষ্টিকৰণৰ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ আদালতে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশনা জাৰি কৰিছে। আবেদনখনৰ অভিযোগ অনুসৰি চাৰিওখন ৰাজ্যই ২০০৭ চনৰ অভিভাৱক আৰু জ্যেষ্ঠ নাগৰিকৰ কল্যাণ আইন অনুসৰি বৃদ্ধাশ্ৰম স্থাপন তথা পৰিচালনা কৰিব পৰা নাই।

০০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি ষষ্ঠ দিনটো ৰাজ্যত চেনেহী বিহু বা জীয়ৰী বিহু হিচাপে পালন কৰা হৈছে। নাঙল বিহুৰ পাছদিনা অৰ্থাৎ ৫ ব'হাগত আয়োজন কৰা চেনেহী বিহু বা জীয়ৰী বিহুত বিবাহিতা জীয়াৰীসকল মাতৃ গৃহলৈ যোৱাৰ পৰম্পৰা আছে। সেয়েহে এই বিহুক জীয়ৰী বা চেনেহী বিহু বুলি কোৱা হয়। অসমীয়া সংস্কৃতিত সাতবিহুৰ অন্যতম এই চেনেহী বিহুৰ বিশেষ গুৰুত্ব আছে।

বাক্সা জিলাত এই বিহুৰ পৰম্পৰাৰ বিষয়ে আমাক জনাইছে জিলাখনৰ আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে—

**ভইচকাষ্ট (দামোদৰ তালুকদাৰ)**

০০০০০০

চিৰাং জিলাৰ ৰুণীখাটাত শুকুৰবাৰে সংঘটিত হিংসাত্মক ঘটনাৰ পাছত অঞ্চলটোৰ পৰিস্থিতি ক্ৰমাৎ উন্নত হৈছে। অৱশ্যে অঞ্চলটোত এতিয়া কটকটীয়া সুৰক্ষা ব্যৱস্থা বলৱৎ হৈ আছে। ৰুণীখাটাত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে দ্ৰুত কাৰ্যবাহিনী দল নিয়োগ কৰা হৈছে আৰু চাৰিখন জিলাৰ পৰা অনা আৰক্ষী কৰ্মী নিয়োগ কৰা হৈছে। উৰা বাতৰি আৰু উছতনিমূলক বাৰ্তাৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে অঞ্চলটোত এতিয়াও ম'বাইল ইণ্টাৰনেট সেৱা বন্ধ কৰি ৰখা হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে শুকুৰবাৰৰ হিংসাত্মক ঘটনা সংক্ৰান্তত ইতিমধ্যে ১৯ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। চিৰাঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহন লাল মীনাই চৰকাৰী বাহনত অগ্নি সংযোগ কৰা আৰু ৰাজহুৱা সম্পত্তি ধ্বংস কৰা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ কালি কয়, যে আৰক্ষীয়ে বিষয়টো তদন্ত কৰি আছে আৰু ঘনাৰ সৈতে জড়িত কোনো দুষ্কৃতিকাৰীক সাৰি যাবলৈ দিয়া নহ'ব। ইপিনে বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কালি হিংসা প্ৰভাৱিত অঞ্চলটো পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ কয়, যে এনে ধৰণৰ ঘটনা সহ্য কৰা নহ'ব আৰু ঘটনাৰ সৈতে জৰিতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। দুই-এজনৰ বাবে এটা সম্প্ৰদায়ক দোষী সাব্যস্ত কৰিব পৰা নাযায় বুলি তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্যযে ৰুণীখাতাৰ সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰাৰ অভিযোগত বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কেইবাজনো লোকক আটক কৰি অনা ঘটনাৰ পৰিপ্ৰেক্ষিতত শুকুৰবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। আটক কৰা লোকসকলক মোকলাই দিয়াৰ দাবীৰে একাংশ লোক বন বিভাগৰ কাৰ্যালয়ত সমবেত হৈ কাৰ্যালয়ৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি বন বিভাগৰ লোকে প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰোতে কেইবাগৰাকীও মহিলা কম-বেছি পৰিমাণে আহত হয়। ইয়াৰ পাছতে প্ৰতিবাদকাৰীসকল অধিক উত্তেজিত হৈ কাৰ্যালয়ৰ চৰকাৰী গাড়ীৰ লগতে কৰ্মচাৰীৰ গাড়ীতো অগ্নিসংযোগ কৰে। প্ৰতিবাদকাৰীসকলে ইয়াতে ক্ষান্ত নাথাকি ১২৭ নম্বৰ ভাৰত-ভূটান সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰিব লগা হয়।

০০০০০০

হজ যাত্ৰাৰ উদ্দেশ্যে কালি ডিব্ৰুগড় জিলাৰ ৩৯ গৰাকী হজযাত্ৰী গুৱাহাটীলৈ ৰাওনা হয়। গুৱাহাটীৰ পৰা এওঁলোক বিমানযোগে পোনে পোনে হজ যাত্ৰাৰ বাবে ৰাওনা হ'ব। ৩৯ গৰাকী হজযাত্ৰীৰ ভিতৰত ২৩ গৰাকী পুৰুষ আৰু ১৬ গৰাকী মহিলা আছে। ডিব্ৰুগড়ৰ বাণীপুৰ ৰে'ল ষ্টেচনত হজযাত্ৰীসকলক আত্মীয়স্বজন আৰু শুভাকাংক্ষীসকলে হজযাত্ৰাৰ বাবে শুভেচ্ছা জনায়। ৰে'ল ষ্টেচনত হজযাত্ৰীসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

উল্লেখযোগ্য যে চলিত বৰ্ষৰ হজযাত্ৰা কালি আৰম্ভ হৈছে। অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ মুঠ দুহেজাৰ ৫৬৯ গৰাকী যাত্ৰীয়ে এইবাৰ হজযাত্ৰা কৰিছে। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা হজযাত্ৰী আছে। উত্তৰ-পূব হজযাত্ৰী অভ্যৰ্থনা সমিতিৰ সভাপতি নেকিবুৰ জামানে জানিবলৈ দিয়া অনুযায়ী কালিৰে পৰা ২১ এপ্ৰিললৈ পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব। হজযাত্ৰীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হৈছে। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকলে গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰৰ পৰা হজযাত্ৰা কৰাৰ বিষয়ে উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিছে।

০০০০০০

গুৱাহাটীৰ পাঞ্জাবাৰীত থকা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি অসম সত্ৰ মহাসভাৰ এটা বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ধুবুৰী জিলাৰ গোলকগঞ্জৰ সত্ৰশালৰ ৰামৰায় কুটীৰ সত্ৰাধিকাৰ তথা অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীয়ে সংস্কৃত ভাষাত ৰচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনী গ্ৰন্থ উন্মোচন কৰা হ'ব। অসম সত্ৰ মহাসভাৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে এই কথা জানিবলৈ দিয়ে। গ্ৰন্থখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড০ জগদীশ শৰ্মাই উন্মোচন কৰিব।

০০০০০০

একেৰাহে পাঁচ বছৰ ধৰি স্বাভাৱিতকৈ কম বৰষুণ হোৱাৰ পাছত এইবেলি বাৰিষা উত্তৰ-পূৰ্বাঞ্চলত ভাল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসমৰ ঠাই বিশেষে স্বাভাৱিকতকৈ অধিক আৰু কোনো কোনো ঠাইত কম বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলী বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে এইবাৰ বাৰিষা ৰাজ্যৰ পশ্চিম অংশৰ বেছিভাগ ঠাইতে ভাল বৰষুণ হ'ব পাৰে। অৱশ্যে পূব অসমত বৰষুণৰ ঘাটি হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামতো স্বাভাৱিকতকৈ কম বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলী বতৰা দিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ১০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৯৪ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ অভিশেক শৰ্মা আৰু হেনৰিক ক্লাছেনে ৫৯ কৈ ৰান কৰে। চেন্নাইৰ অঞ্চুল কম্বোজ আৰু জেমি অ'ভাৰটনে তিনিটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। হায়দৰাবাদৰ হৈ ঈষান মালিংগাই তিনিটা উইকেট দখল কৰে। মালিংগাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ১৭৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৫ টা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চণ্ডিগড়ত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০০০

মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়ক গৃহীত কৰাত ব্যৰ্থ হোৱাৰ পিছদিনা প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণ, গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০০৭ চনৰ অভিভাৱক আৰু জ্যেষ্ঠ নাগৰিকৰ কল্যাণ আইন অনুসৰি বৃদ্ধাশ্ৰম স্থাপন কৰাত ব্যৰ্থ হোৱা সন্দৰ্ভত অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ পৰা স্পষ্ট উত্তৰ বিচাৰি দিয়া ৰায়দান, ৰুণীখাটাৰ আইন শৃংখলা জনিত পৰিস্থিতি আৰু পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়ক গৃহীত নোহোৱাক লৈ বিৰোধীক সমালোচনা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণ সম্পৰ্কীয়া এটা বাতৰি **মহিলা সমাজক ক্ষমা খুজিলে মোদিয়ে** শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিলে, আমাৰ অসম, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমত তৃতীয়বাৰলৈ চৰকাৰ গঠন কৰিব বিজেপিয়ে শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে দিলীপ শইকীয়াই কালি দিল্লীৰ এখন সংবাদমেলত কৰা মন্তব্য গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী পেঞ্চনাৰৰ মৰগীয়া বানচ দুই শতাংশ বৃদ্ধিৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

হৰমুজ প্ৰণালী পুনৰ বন্ধ হোৱাৰ সন্দৰ্ভত এটা বাতৰি আমাৰ অসম কাকতে আশা জগাই পুনৰ বন্ধ হৈ গ'ল হৰমুজ, ভাৰতীয় তেল টেংকাৰলৈ গুলীবৃষ্টি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে ৰুণীখাটাৰ ঘটনাৰ আঁৰত জড়িত নিৰ্দিষ্ট ব্যক্তিহে আদিবাসী সমাজ নহয় শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

ৰঙালী বিহুৰ উচ্ছাহ-উদ্দীপনাৰ মাজতে কাকপথাৰত শুকুৰবাৰে নিশা সংঘটিত পথ দুৰ্ঘটনাই অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি কৰাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে উত্তপ্ত কাকপথাৰ। শিৰোনামেৰে প্ৰকাশ কৰিছে।

ইৰানে হৰমুজ প্ৰণালী পুনৰ বন্ধ কৰা বুলি উল্লেখ কৰি দ্যা ছেণ্টিনেল কাকতে Iran reimposes Strait of Hormuz blockae, fires on tankers শিৰোনামেৰে এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**